**REGIONAL NEWS UNIT**

AKASHVANI :: GUWAHATI

0000000000

**Date : 15-04-2025**

**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**::::::::::::::::::::::::::::::::::**

ৰাজ্যবাসীয়ে আজি পহিলা ব'হাগৰ দিনটো পৰম্পৰাগত উৎসাহ উদ্দীপনাৰে মানুহ বিহু হিচাপে পালন কৰে। আজি পুৱাতে গা-পা ধুই অসমৰ ৰাইজে ইষ্টদেৱতাক প্ৰণাম জনাই বছৰটোলৈ নিজৰ লগতে পৰিয়াল আৰু সমাজৰ মঙ্গল কামনা কৰাৰ উপৰি জ্যেষ্ঠজনক সেৱা জনাই আশীষ লয়। কোনো কোনো ঠাইত সমজুৱাভাৱে জ্যেষ্ঠজনলৈ সেৱা আৰু কণিষ্ঠজনক আশীষ প্ৰদান কৰা হয়। বছৰৰ প্ৰথম দিনটোত আজি ৰাজখনৰ সত্ৰ, নামঘৰ, আৰু ধৰ্মীয় উপাসনাস্থলীসমূহত অগনন লোকৰ সমাগম হয়। ৰাজ্যখনৰ বটদ্ৰৱা, মাজুলী, আৰু বৰপেটা সত্ৰৰ উপৰি মঠ-মন্দিৰ, দেৱালয়সমূহতো ভক্তৰ সমাগম পৰিলক্ষিত হয়। গুৱাহাটী মহানগৰীৰ শক্তিপীঠ কামাখ্যা ধামৰ উপৰি অন্যান্য উপাসনা স্থানসমূহত আজি বহু লোক সমাগত হয়। ইফালে, ৰাজ্যজুৰি বহাগ বিহুৰ আনন্দ উছাহ অব্যাহত আছে। উজনিৰ পৰা নামনিলৈ গাঁৱে ভূঞে, চহৰে নগৰে বিহু ঢোল, পেপাৰ শব্দ আৰু নাচনীৰ নাচোনৰ চেৱত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে।

গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত মঞ্চ বিহু কাৰ্যসূচী লোৱা হৈছে। লতাশিলৰ গুৱাহাটী বিহু সন্মিলনীয়ে কালিৰে পৰাই বিহুৰ বৰ্ণাঢ্য কাৰ্যসূচী গ্ৰহণ কৰিছে। একেদৰে ভৰলুমুখ, চানমাৰী, গণেশগুৰি, নুনমাটি, বেলতলাকে ধৰি বিভিন্ন ঠাইত মঞ্চবিহুৰ আকৰ্ষণীয় অনুষ্ঠান উপভোগ কৰিবলৈ অগণন লোকে ভীৰ কৰিছে। কাইলৈ সাদিনীয়া বহাগ বিহুৰ তৃতীয় দিনা গোসাই বিহু পালন কৰা হ'ব।

ooooo

তিৱা জনগোষ্ঠীৰ লোকসকলৰ ছগ্ৰা উৎসৱ হিচাপে পৰিচিত বসন্ত উৎসৱ পৰহিৰ পৰা তিনিদিনীয়াকৈ পালন কৰা হ'ব। সুদীৰ্ঘ ২৫ বছৰৰ পাছত এইবেলি মেঘালয়ত বসবাস কৰা তিৱা জনগোষ্ঠীৰ লোকসকলে ৰাজ্যখনৰ লুম্ফৈ গাঁৱত এই ছগ্ৰা উৎসৱৰ আয়োজন কৰিছে। এই উৎসৱৰ বাবে গোভা দেওৰজাৰ অনুমতিৰ প্ৰয়োজন হয়। সেই অনুসৰি মেঘালয়ৰ তিৱা জনগোষ্ঠীৰ বিষয়াবৰ্গই পাহাৰীয়া বাটেৰে পদব্ৰজে আহি গোভা

দেওৰজা দীপ সিং দেওৰজাৰ অনুমতি লয়। পৰম্পৰা অনুসৰি ছুগ্ৰা উৎসৱৰ পাছতেই তিৱা জনগোষ্ঠীয় লোকসকলে ঝুম খেতি আৰম্ভ কৰে। প্ৰায় ২৫ বছৰৰ পাছত এই উৎসৱৰ আয়োজন কৰাক লৈ জনগোষ্ঠীটোৰ লোকসকলৰ মাজত উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

০০০০০

ৰাজ্য চৰকাৰে পহিলা ব'হাগৰ পৰা সমগ্ৰ ৰাজ্যত সকলো চৰকাৰী অধিসূচনা, আধেশ, আইন আদিৰ বাবে অসমীয়া ভাষা বাধ্যতামূলক চৰকাৰী ভাষা হিচাপে ব্যৱহাৰৰ বাবে অধিসূচনা জাৰি কৰিছে। চৰকাৰী ভাষা আইন-১৯৬০ৰ ৭ আৰু ৩ নম্বৰ ধাৰা অনুসৰি বৰাক উপত্যকা, ষষ্ঠ অনুসূচীৰ অন্তৰ্গত পাৰ্বত্য জিলা আৰু বড়োলেণ্ড আঞ্চলিক পৰিষদৰ অন্তৰ্গত অঞ্চলৰ বাহিৰে ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলোবোৰ জিলাতে চৰকাৰী কাম-কাজত অসমীয়া ভাষাৰ ব্যৱহাৰ বাধ্যতামূলক কৰা হৈছে। বৰাক উপত্যকাৰ ৩ খন জিলাত সকলো চৰকাৰী কামৰ বাবে ইংৰাজীৰ উপৰি বাংলা ভাষা ব্যৱহাৰ কৰা হ'ব। বড়োলেণ্ড পৰিষদীয় এলেকাত যিকোনো চৰকাৰী কামত ইংৰাজীৰ লগতে বড়ো ভাষা ব্যৱহাৰ কৰা হ'ব। অধিসূচনাৱলী কেন্দ্ৰীয় চৰকাৰে জাৰি কৰা সকলো আদেশ, অধিসূচনা আৰু নিৰ্দেশনা সংশ্লিষ্ট বিভাগৰ দ্বাৰা ৩০ দিনৰ ভিতৰত অসমীয়া, বড়ো বা বাংলা ভাষালৈ অনুবাদ কৰিব লাগিব।

০০০০০

কাৰ্বি আংলং আৰক্ষীয়ে আজি অসম-নাগালেণ্ড সীমান্তৰ খটখটীৰ লাহৰিজানত অভিযান চলাই নথিবিহীন অস্ত্ৰ ৰখাৰ অপৰাধত নুটো ৰাখিসহ চাৰিজন লোকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে আটাইকেইজনৰ বিৰুদ্ধে যাৱতীয় ধাৰাৰ অধীনত গোচৰ ৰুজু কৰিছে। আৰক্ষীয়ে নুটো ৰাখিৰ জিম্মাৰ পৰা এটা পিষ্টল আৰু ৫ জাই গুলি উদ্ধাৰ কৰিছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে বাতৰি আৰু অনুষ্ঠান সম্পৰ্কত শ্ৰোতা ৰাইজৰ মতামত আৰু অভিমত লোৱাৰ বাবে ফোন লাইন পুনৰ মুকলি কৰিছে। আঞ্চলিক বাতৰি, ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক বাতৰি, জিলাৰ ৰেহৰূপ, দৃষ্টিপাত, সংবাদ চলন্তিকা, ক্ৰীড়া বাৰ্তা আৰু প্ৰাসংগিক অনুষ্ঠান সম্পৰ্কীয় অভিমত আৰু পৰামৰ্শ শ্ৰোতাসকলে ৯৮৬৪০ ৫৫৫৬৬ নম্বৰত ৱাটছএপ যোগে পঠিয়াব পাৰিব। এই অনুষ্ঠানৰ নিৰ্বাচিত অংশ অহা ১৯ এপ্ৰিল শনিবাৰে নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত প্ৰচাৰ কৰা হ'ব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চণ্ডিগড়ত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছে-কলকাতা নাইট ৰাইডাৰ্ছক জয়ৰ বাবে ১১২ ৰাণৰ লক্ষ্য বান্ধি দিছে। পাঞ্জাৱ কিংছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ১৫ অভাৰ আৰু ৩ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১১ ৰাণ সংগ্ৰহ কৰে। পাঞ্জাৱৰ হৈ প্ৰভ চিমৰণ সিঙে সৰ্বাধিক ৩০ ৰাণ কৰে। কলকাতা নাইট ৰাইডাৰ্ছৰ হৰ্ষিত ৰাণাই ৩ টা আৰু বৰুণ চক্ৰৱৰ্তী আৰু সুনিল নাৰায়ণে ২ টাকৈ উইকেট লাভ কৰে। প্ৰত্যুত্তৰত কলকাতা নাইট ৰাইডাৰ্ছে আমালৈ বাতৰি অহাৰ পৰলৈ ২ অভাৰত দুটা উইকেট হেৰুৱাই ১২ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

ঃঃ সমাপ্ত ঃঃ

0000 0000 0000 0000
0000 0000 0000 0000